# লক্ষ্মীনাথ বেজবৰুৱাৰ গীত

**দীপালীমা দুৱৰা চলিহা,**
**ড° চুম্বিত চলিহা**

আধুনিক অসমৰ জাতীয়তা আৰু ভাষা-সাহিত্যৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা, বহুমুখী প্ৰতিভাৰ গৰাকী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যক নিভাঁজ ৰূপত প্ৰতিষ্ঠা কৰাত কেৱল গদ্য, কবিতা, নাট্য সাহিত্যৰ ক্ষেত্ৰতে অৱদান আগবঢ়াইছিল এনে নহয়, তেখেতৰ গীতি-সাহিত্যয়ো অসমীয়া সংস্কৃতিক প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। জোনাকী যুগৰ পাছতো বেজবৰুৱাৰদ্বাৰা সম্পাদিত আৰু তেখেতৰ 'কলিজাৰ মঙহ' বাঁহীৰ পাতত বেজবৰুৱাই নিয়মীয়াকৈ কবিতা আৰু গীত লিখি আহিছিল। পাছত 'কদমকলি আৰু পদুমকলি'ত তেখেতৰ কবিতা আৰু গীতসমূহ একত্ৰিত কৰা হয়। বেজবৰুৱাদেৱে সুকীয়াকৈ গীতৰ পুথি প্ৰকাশ নকৰিলেও "কবিতা হয় যদি হওক, নহয় যদি নহওক" বুলি প্ৰকাশ কৰা কবিতাপুথি 'কদমকলি'ত কবিতাৰ মাজে মাজে তেখেতে নিজে গীত আখ্যা দি ওপৰত তাল, ৰাগ, সুৰ উল্লেখ কৰা ২১টা গীত আৰু পদুমকলি পুথিতো ৯টা গীত পোৱা যায়। আনহাতে তেখেতৰ ঐতিহাসিক নাট 'চক্ৰধ্বজ সিংহ', 'জয়মতী কুৰঁৱী' আৰু 'বেলিমাৰ'ত বহুতো নাটকীয় গীত সংযোজন হৈ আছে।

'বাঁহী'ৰ পাতত ১৯১০ চনত প্ৰকাশ পোৱা তেখেতৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটিত থকা গভীৰ স্বদেশপ্ৰেমৰ বাবে ১৯২৮ চনতে ই জাতীয় সংগীতৰূপে স্বীকৃত হয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই বেজবৰুৱাৰ গীতত অসমীয়া থলুৱা সুৰ সংযোজন কৰি পোন প্ৰথমে লক্ষ্মীনাথ বেজবৰুৱাক গীতিকাৰ হিচাপে প্ৰতিষ্ঠা কৰে।

বেজবৰুৱাৰ গীত আৰু কবিতাসমূহৰ মাজত লক্ষ্মীনাথৰ ভিতৰৰ মানুহজনক উপলব্ধি কৰিব পাৰি। তেখেতৰ কিছুমান গীতৰ ভাব-ভাষাই মনোৰম, গভীৰ আধ্যাত্মিক ভাবসম্পন্ন; আনহাতে আন কিছুমানত কৃপাবৰী চৰিত্ৰৰ একোটা ধেমেলীয়া অংশ পৰিলক্ষিত হয়। সেয়েহে তেখেতৰ সকলো গীতেই গীতৰ ধৰ্ম বৰ্তাই ৰখা নাই। ড° ভূপেন হাজৰিকাই কোৱাৰ দৰে "মানুহজনৰ প্ৰায়বোৰ গীততে Dual Personalityৰ দুটা ব্যক্তিত্ব। এটা ভুমুকি মাৰে লক্ষ্মীনাথ আনটো লক্ষ্মীনাথৰ ভিতৰৰ কৃপাবৰটো। গীত দুয়োজনে ৰচিবৰ চেষ্টা কৰে। মাথোঁ লক্ষ্মীনাথে কেতিয়াবা বৰ গম্ভীৰ হৈ কিবা এটা বিষয়ৰ গীত লিখিবলৈ ল'লেই কৃপাবৰটো আহি ভোটোংকৈ ওলায়।" তেখেতৰ গীতসমূহত দেখা যায় মানৱপ্ৰেম, স্বদেশপ্ৰেম আৰু ভগৱৎপ্ৰেম; আনহাতে কিছুমান গীত সংস্কাৰধৰ্মী, নীতিবচনমূলক। হেম বৰুৱাই উল্লেখ কৰাৰ দৰে "বিষয়বস্তুৰ বৈচিত্ৰ্যৰ পিনৰপৰা বেজবৰুৱাৰ কাব্য পটভূমিৰ আয়তন বিস্তৃত। প্ৰণয়গীত, প্ৰকৃতিগীত যেনেকৈ ৰচনা কৰিছিল তেনেকৈয়ে বেজবৰুৱাই বেলাড আৰু স্বদেশপ্ৰেমৰ গীতো ৰচনা কৰিছিল। এই ৰচনাৰাজিৰ ভালেখিনি আধুনিক অসমীয়া সাহিত্যৰ পৰিপক্কতাৰ চানেকি।"

তেখেতৰ সকলোখিনি গীত আৰু গীতিধৰ্মী কবিতা অধ্যয়ন কৰিলে দেখা যায় যে কিছুমান গভীৰ ভাবৰ, কিছুমান লঘু ভাবৰ আৰু কিছুমান গভীৰ-লঘুৰ সংমিশ্ৰণ। গভীৰ ভাবৰ গীত আৰু গীতি কবিতাৰ মাজেদি তেখেতৰ সংগীত আৰু সুকুমাৰ কলাৰ শ্ৰেষ্ঠত্বও প্ৰকাশ কৰিছে। এনেধৰণৰ গীতসমূহ হৈছে ক্ৰমে 'মোৰ একেটি সুৰত বাঁহীটি বন্ধা', 'কোনেনো বজাইছে বাঁহী সন্ধিয়া বেলিকা', 'প্ৰেম প্ৰেম বুলি জগত ঘূৰিলোঁ', 'মহাপ্ৰয়াণৰ যাত্ৰী হে'ৰা', 'শূন্য প্ৰাণ কান্দিছে সদায়', 'পৰমানন্দ হে আনন্দ দিয়া শুকান প্ৰাণত', 'সখী আহাঁ নামো পানীত', 'চোৱাঁহে চোৱাঁহে চোৱাঁ আজি হেৰা', 'সখী কোনেনো বজায়', 'কই যোৱা ডাকোৱাল খোজ কিয় কোবাল', 'বৃন্দাবনতে কোনে বাঁহী বায়', 'সদায় থাকিম তাতে ভটিয়াই গৈছে টুলবুল নাওখন', 'সত্য কোৱাঁ প্ৰাণনাথ', 'তোমাৰ মৌকোঁহ তোমাতেই থাওক' ইত্যাদি।

আনহাতে গীতৰ ৰূপ দিব পৰা গভীৰ ভাবৰ গীতিধৰ্মী কবিতাসমূহ হ'ল—'ত্ৰিভুৱন মাজে যত বস্তু মধুময়' (*বাঁহী*), 'গা বীণ গা অমৃত -সংগীত' (*বীণব'ৰাগী*), 'দূবৰি বনৰ পাতৰ আগত' (*বৰ আৰু সৰু*), 'মালতী ফুলিল সেউতী উঠিল' (*বসন্ত*), 'পূবৰে ৰ'দতে চিকিমিকি কৰিছে' ইত্যাদি।

গভীৰ আৰু লঘু মিশ্ৰিত ভাবৰ গীতসমূহ হৈছে—'হে'ৰা আমাৰ জন্মভূমি', 'অনন্ত আকাশ মাজে দে ধোঁৱা উৰুৱাই', 'তাই কিয় গালি পাৰি যায়', 'ক'লাই বগাই মিল নাই', 'তিলকা হেনো তোৰ তামোলৰ ডাবি', 'আয়ে লুকাই পাৰিলে কণী'।

ধেমেলীয়া ভাবৰ গীতসমূহ হৈছে ক্ৰমে 'জহ-জাৰ বাৰিষাৰে মিলি-জুলি ল'বা', 'আৰে পকা চুলি মোৰ', 'শুনিলে সেইটোৰ মাত মূৰ আচন্দ্ৰাই কৰে', 'হাতে ঢুকি পোৱা আছিল জোনাই' ইত্যাদি।

বেজবৰুৱাৰ সংগীত সম্পৰ্কে থকা জ্ঞানৰ বাবে বেছিভাগ গীততে ৰাগ আৰু তালৰ উল্লেখ পোৱা যায়। তেখেতৰদ্বাৰা ৰচিত গীতসমূহত ৰামপ্ৰসাদী সুৰ, ভৈৰৱী, বেহাগ আৰু বাগেশ্ৰী সুৰৰ উপৰিও অসমীয়া বিহুগীত, বনগীত, অসমীয়া নাম-কীৰ্তনৰ সুৰো উল্লেখ পোৱা যায়। বেজবৰুৱাই ৰচনা কৰা কিছুসংখ্যক গীত অতিমাত্ৰা চমু আৰু কিছুসংখ্যক অতিমাত্ৰা দীঘল। শব্দ বা ছন্দৰ জ্ঞান তেখেতৰ গীত-কবিতাত স্পষ্টভাৱে দেখা যায় যদিও দুই-এটা গীত-কবিতাত ছন্দৰ পতন ঘটিছে। তেনেধৰণৰ গীতসমূহ আমি এই আলোচনালৈ অনা নাই।

বেজবৰুৱাৰদ্বাৰা ৰচিত নাটসমূহত বহুসংখ্যক গীত পোৱা যায়। এইসমূহৰ ভিতৰত কাব্যিকভাৱে উচ্চমানৰ উল্লেখ কৰিবলগীয়া গীতসমূহ হৈছে 'চক্ৰধ্বজ সিংহ' নাটৰ—'নিকুঞ্জলতা সপোন মগন', 'অৰুণে বিলালে পূবক কিৰণ', 'সোণৰ অসমত আমাৰ জনম', 'যদি প্ৰাণত নুঠিল প্ৰণয় হিল্লোল', 'উঠা অসমীয়া উঠা কাছিপাৰি', 'সোণবৰণীয়া কেতেকী ধুনীয়া'। তেনেদৰে 'জয়মতী কুঁৱৰী' নাটৰ 'সখীহে কি ক'মে দুখৰে কথা', 'পৰ্বতৰ ঢেঁকীয়া লিহিৰী পতীয়া', 'ল'ৰা-বুঢ়া কাক কয়', 'চেনেহ-ডোলেৰে গোথা মালাধাৰি'। আনহাতে 'বেলিমাৰ' নাটৰ গীতসমূহ হৈছে—'বৰঘৰৰ মূধতে লোকাপাৰ যুৰি', 'কায়াতে লাগিয়েই ছায়াটি থাকিব', 'অতি হেঁপাহেৰে ৰচিলোঁ শয্যা', 'সখা সুশীতল জল জুলীয়া ফটিক', 'কোনে কয় নুপুৱায় আঁউসীৰ ৰাতি', 'মেলি দে নাও নাৱৰীয়া কাই' আদি। এই প্ৰতিটো গীতেই সুমধুৰ, সুশ্ৰাব্য আৰু গভীৰ ভাবসম্পন্ন। উপযুক্ত শব্দ সংযোজনেৰে সৃষ্টি এই গীতসমূহৰ উপৰিও তেখেতৰ নাটকত চৰিত্ৰসমূহৰ মুখেদি অসমীয়া নামধৰ্মী গীত, যোজনা বহুলভাৱে ব্যৱহাৰ কৰি আহিছে। ভবেন বৰুৱাৰ ভাষাৰে—"তেখেত বিভিন্ন নাটকত আৰু অন্যান্য ৰচনাত তেৱেঁই অসমীয়া লোকগীত আদিৰ বাছকবনীয়া অংশবোৰ প্ৰথমে ব্যৱহাৰ কৰে আৰু সিবোৰৰ কাব্যিক সৌন্দৰ্যৰ প্ৰতি নব্য শিক্ষিতৰ দৃষ্টি আকৰ্ষণ কৰে।" তেনেদৰে ডিম্বেশ্বৰ নেওগদেৱে কোৱাৰ দৰে—"লোকগীত আৰু বেলাডৰ অনুকৰণত ৰচিত হোৱা অসমীয়া গীতিকবিতাৰো জনক লক্ষ্মীনাথ।" ধনবৰ ৰতনী, ৰতনীৰ বেজাৰ, তিলকা, নিমাতী কন্যা আদিবোৰ হৈছে বেজবৰুৱাই ৰচনা কৰা গীতিকবিতা। এই গীতিকবিতাত তেখেতে শুৱলা শব্দ ব্যৱহাৰ আৰু উপমাৰ জৰিয়তে সূক্ষ্ম অনুভূতি প্ৰকাশ কৰিছে।

অসমৰ জাতীয় সংগীত (বৰ্তমান অসম চৰকাৰৰদ্বাৰা স্বীকৃতিপ্ৰাপ্ত) 'অ' মোৰ আপোনাৰ দেশ'ৰ উপৰিও বেজবৰুৱাদেৱে ৰচনা কৰা গীতিধৰ্মী কবিতা 'অসম সংগীত', 'বীণব'ৰাগী' আদিত জাগ্ৰত স্বদেশপ্ৰেমৰ ভাব প্ৰকাশ পাইছে। এই গীতিকবিতাকেইটা কেৱল বেজবৰুৱাৰ স্বদেশপ্ৰেমৰেই পৰিস্ফুৰণ নহয়, ই প্ৰতিজন অসমীয়াকে দেশপ্ৰেমৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ সমৰ্থ হৈছে। সেয়েহে হেম